# REGIONAL NEWS UNIT
AKASHVANI :: GUWAHATI
0000000000

**Date : 08-04-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::**

ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই আজি গুৱাহাটীত ভাৰতীয় তথ্য আয়োগৰ ৰাষ্ট্ৰীয় সংঘৰ ৩২ সংখ্যক পৰিচালনা পৰিষদে আৰু ১৪ সংখ্যক বাৰ্ষিক সাধাৰণ সভাৰ শুভাৰম্ভ কৰে। এই উপলক্ষে দিয়া ভাষণত ৰাজ্যপালগৰাকীয়ে কয়, যে আয়োগৰ এই অনুষ্ঠান কেৱল সংঘৰ আনুষ্ঠানিক সমাবেশেই নহয়, বৰঞ্চ ই ভাৰতীয় গণতন্ত্ৰৰ স্বচ্ছ সংস্কৃতিৰ গুৰুত্বপূৰ্ণ উদ্‌যাপন। ২০০৫ চনত প্ৰৱৰ্তন কৰা তথ্য জনাৰ অধিকাৰ আইনৰ বিষয়ে উল্লেখ কৰি তেওঁ কয়, যে এই আইনখনে স্বচ্ছতাক ৰক্ষা কৰাৰ লগতে দূৰ্নীতি হ্ৰাস কৰা প্ৰশাসনিক সেৱা আগবঢ়োৱা আৰু দায়বদ্ধতা সুনিশ্চিত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। ৰাজ্যপালগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক স্বচ্ছ দৃষ্টিভংগী আৰু নাগৰিককেন্দ্ৰিক প্ৰশাসনৰ বাবে তেওঁক প্ৰশংসা কৰে। ৰাজ্যপালগৰাকীয়ে বুনিয়াদি পৰ্যায়ত কৰ্মশালা আৰু প্ৰশিক্ষণ কাৰ্যসূচীৰ জৰিয়তে জনসাধাৰণৰ মাজত তথ্য জনাৰ অধিকাৰ আইনখনৰ বিষয়ে অধিক সজাগতা সৃষ্টিৰ বাবে আহ্বান জনায়। এই অনুষ্ঠানত ভাৰতীয় তথ্য আয়োগৰ ৰাষ্ট্ৰীয় সংঘৰ অধ্যক্ষ হীৰালাল চামৰিয়া আৰু উপাধ্যক্ষ ত্ৰিপুৰাৰী চৰণৰ লগতে বিভিন্ন ৰাজ্যৰ প্ৰতিনিধিসকল উপস্থিত থাকে।

ooooo

গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ অধ্যক্ষতাত আজি বিয়লি খানাপাৰাৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত বানমুক্ত গুৱাহাটী অভিযান সম্পৰ্কে এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত যোৱা কেইটামান সপ্তাহত গুৱাহাটীৰ নলা, নৰ্দম আৰু নৈসমূহৰ গেড আঁতৰোৱাৰ নিৰীক্ষণৰ বাবে অভিযন্তা, বিষয়া,পাৰিষদ আৰু সমাজকৰ্মীক লৈ গঠিত ২১ খন সমিতিৰ অগ্ৰগতিৰ বিশদ প্ৰতিবেদন গ্ৰহণ কৰা হয়।

ooooo

ৰাজ্যত সমাগত পঞ্চায়ত নিৰ্বাচনৰ বাবে বিভিন্ন জিলাত প্ৰস্তুতি অব্যাহত আছে। জিলা প্ৰশাসনসমূহে বৈঠক অনুষ্ঠিত কৰি এই নিৰ্বাচনৰ বিভিন্ন দিশ পৰ্যালোচনা কৰিছে। ইপিনে, ৰাজনৈতিক দলসমূহে এই নিৰ্বাচনৰ বাবে তৎপৰতা আৰম্ভ কৰিছে।

যোৰহাট জিলাত পঞ্চায়ত নিৰ্বাচন সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসনে প্ৰস্তুতি চলাইছে। জিলাখনত আজি নিৰ্বাচনত নিয়োজিত পলিং বিষয়াসকলৰ প্ৰশিক্ষণ আৰু  বেলট বাকচসমূহৰ সাল সলনি প্ৰক্ৰিয়া সম্পন্ন কৰা হয়।

কামৰূপ জিলা প্ৰশাসনেও এই নিৰ্বাচনৰ যাৱতীয় প্ৰস্তুতি আৰম্ভ কৰিছে। জিলা প্ৰশাসনে মনোনয়ন প্ৰক্ৰিয়া সুকলমে চলোৱাৰ বাবে বিভিন্ন পৰ্যায়ত জিলাখনত ৩৮ গৰাকী আৰু ৰঙিয়া সম জিলাত ৪ গৰাকী বিষয়া নিয়োগ কৰিছে।

উল্লেখযোগ্য যে পঞ্চায়ত নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়া ৩ এপ্ৰিলত আৰম্ভ হৈছে আৰু ১১ এপ্ৰিলত অন্ত পৰিব। ১২ এপ্ৰিলত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। ১৭ এপ্ৰিল মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন। সেইদিনাই চূড়ান্ত প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব।

ooooo

ব'হাগ বিহুলৈ কেইটামান দিন বাকী থকা অৱস্থাত হস্ততাঁত আৰু বস্ত্ৰ শিল্প বিভাগে আজি ফাঁচিবজাৰত অভিযান চলাই ৬৫০ খন মেচিনত বোৱা গামোচা জব্দ কৰে। গুৱাহাটীৰ উপৰি ৰাজ্যৰ আন দুটা স্থানত চলোৱা অভিযানতো বহিঃৰাজ্যৰ পৰা অহা বৃহৎ পৰিমাণৰ গামোচা জব্দ কৰা বুলি জানিব পৰা গৈছে।

ooooo

কলকাতাৰ পৰা প্ৰশাধন সামগ্ৰী কঢ়িয়াই গুৱাহাটী অভিমুখে আহি থকা এখন ট্ৰাক চিৰাং জিলাৰ ভাৰত-ভূটান সীমান্তৰ ৰুণিখাটাত উদ্ধাৰ কৰা হয়। এই ট্ৰাকখন ৰুণিখাটাৰ খাইছুবাৰীৰ চোমখৰ বসুমতাৰীৰ বাসগৃহত উদ্ধাৰ হয়। আৰক্ষীয়ে চোমখৰ বসুমতাৰীক চোমখৰ বসুমতাৰী গ্ৰেপ্তাৰ কৰিছে। উল্লেখযোগ্য যে ট্ৰাকখনৰ পৰা সামগ্ৰীসমূহ চুৰি হোৱাৰ পিছত ট্ৰাকৰ মালিকে এই সন্দৰ্ভত আৰক্ষীক দাখিল কৰা এজাহাৰৰ ভিত্তিত ৰূপচান আলী আৰু ইমানুল হক নামৰ ট্ৰাক চালক দুজনক গ্ৰেপ্তাৰ কৰাৰ পাছত এই ঘটনা পোহৰলৈ আহে। ট্ৰাক চালক দুজনৰ ভাষ্যৰ ভিত্তিতে ট্ৰাকখন উদ্ধাৰ কৰা হয়। আৰক্ষীয়ে ঘটনা সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে।

ooooo

ধুবুৰীৰ ভোলানাত মহাবিদ্যালয়ৰ ডিজিটেল প্ৰেক্ষাগৃহত আজি  ছাত্ৰ দিৱস উপলক্ষে এটি বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হয়। ছাত্ৰ নেতা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচী আৰম্ভ কৰা হয়। এই অনুষ্ঠানত মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ মুৰবী অধ্যাপক ড° উপেন্দ্ৰজিৎ শৰ্মাই উপেন্দ্ৰ নাথ ব্ৰহ্মৰ জীৱন আৰু কৰ্মৰাজিৰ বিষয়ে আলোকপাত কৰে। ইয়াৰ লগতে মহাবিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° ধ্ৰুৱ চক্ৰৱৰ্তীয়ে ছাত্ৰ নেতা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ জীৱন, কৃতী আৰু জাতীয় বৌদ্ধিক সমাজ নিৰ্মাণত ছাত্ৰ সমাজৰ ভূমিকা শীৰ্ষক বক্তৃতা আগবঢ়ায়।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত চণ্ডিগড়ত অনুষ্ঠিত এখন খেলত পাঞ্জাব কিংছে-চেন্নাই চুপাৰ কিংছক জয়ৰ বাবে ২২০ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

প্ৰত্যুত্তৰত চেন্নাই চুপাৰ কিংছে আমালৈ বাতৰি অহাৰ পৰলৈকে এক অভাৰত এটাও উইকেট নেহেৰুৱাকৈ ৯ ৰাণ সংগ্ৰহ কৰি খেলি আছে।

ইয়াৰ পূৰ্বে পাঞ্জাবে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৬ টা উইকেট হেৰুৱাই ২১৯ ৰাণ সংগ্ৰহ কৰে।

ইপিনে, লক্ষ্ণৌ চুপাৰ জায়েণ্টছে ইডেন গাৰ্ডেনছত অনুষ্ঠিত আজিৰ আন এখন খেলত-কলকাতা নাইট ৰাইডাৰ্ছক ৪ ৰাণত পৰাস্ত কৰে। কলকাতা নাইট ৰাইডাৰ্ছে ২৩৯ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭ টা উইকেট হেৰুৱাই ২৩৪ ৰাণহে কৰিবলৈ সমৰ্থ হয়। ইয়াৰ আগেয়ে লক্ষ্ণৌৰ দলটোৱে প্ৰথমে বেট ধৰা আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৩টা উইকেট হেৰুৱাই ২৩৮ ৰাণ সংগ্ৰহ কৰে।

ooooo

সদৌ অসম আদিবাসী ছাত্ৰ সন্থা চমুকৈ আছাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি প্ৰদীপ নাগৰ আজি নিচেই পুৱা নতুন দিল্লীৰ এখন চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৪৭ বছৰ। দীৰ্ঘদিন ধৰি অসুস্থতাত ভূগি থকা প্ৰদীপ নাগক যোৱা ৮ মাৰ্চত গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল যদিও পৰৱৰ্তী সময়ত উন্নত চিকিৎসাৰ বাবে নতুন দিল্লীলৈ নিয়া হৈছিল। তেওঁৰ মৃত্যুত অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীকে ধৰি বহু ব্যক্তি আৰু দল সংগঠনে শোক প্ৰকাশ কৰিছে।

ooooo

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ